# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-06-2025
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
## Headlines
--------------------

১। লখিমপুৰত বিলুপ্তপ্ৰায় গছৰ সংৰক্ষণৰ বাবে ইক’ পাৰ্কৰ লগতে কেইবাটাও প্ৰকল্প মুখ্যমন্ত্ৰীৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

২। গোৱালপাৰা জিলাৰ হাচিলাবিলত প্ৰশাসনৰ উচ্ছেদ অভিযান।

৩। অ’ এন জি চিৰ শিৱসাগৰৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰৰ গেছ নিৰ্গমনস্থলীত জনসাধাৰণ তথা পশুধনৰ সুৰক্ষাৰ বাবে ২৪ ঘণ্টাই দণ্ডাধীশ পৰ্যায়ত তদাৰক।

৪। আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন জিলাত কাৰ্যসূচী। *আৰু*

৫। ২২ জুনৰ পৰা অম্বুবাচী মহাযোগ সুকলমে অনুষ্ঠিত কৰিবলৈ কামৰূপ মহানগৰ জিলা আৰু আৰক্ষী প্ৰশাসনৰ নীতি-নিৰ্দেশনা।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাত কেইবাটাও প্ৰকল্প আৰু আঁচনিৰ আধাৰশিলা স্থাপনৰ লগতে উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ বেবেজীয়াৰ কমাৰটুপ, অঞ্চলত ২৬ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ’বলগীয়া কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন কৰে। ১৬ বিঘাৰো অধিক ভূমি সামৰি এই ৰান্ধনিঘৰটো নিৰ্মাণ কৰা হ’ব। চলিত বছৰৰ ছেপ্তেম্বৰৰ ভিতৰত ইয়াৰ নিৰ্মাণ কাৰ্যস সম্পৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীয়ে কালি ডিব্ৰুগড়ত এনে এটা সমূহীয়া ৰান্ধনী ঘৰ মুকলি কৰে। ড° শৰ্মাই ৬৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ’বলগীযা দ্বিতীয় পৰ্যায়ৰ উত্তৰ লখিমপুৰ নগৰৰ পানীযোগান আঁচনি আৰু উত্তৰ লখিমপুৰ ইক’ পাৰ্কৰ আধাৰশিলা স্থাপন কৰে। এই আঁচনিৰ অধীনত ৮ দশমিক ৭ - ০ মিলিয়ন লিটাৰ বিশুদ্ধ খোৱাপানী দৈনিক যোগান ধৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ দ্বাৰা অঞ্চলটোৰ ৭ হাজাৰ ১৩ টা পৰিয়াল উপকৃত হ’ব। তেওঁ লগতে বিলুপ্তপ্ৰায় গছৰ সংগ্ৰহালয় আৰু বাঁহজাতীয় গছৰ ঘন বনাঞ্চলেৰে ১৬ বিঘা ভূমি সামৰি স্থাপন হ’বলগীয়া উত্তৰ লখিমপুৰ ইক’ পাৰ্কৰ আধাৰশিলাও স্থাপন কৰে। এই উদ্যানত সংকটাপন্ন প্ৰজাতিৰ গছপুলি ৰোপণ কৰা হ’ব। তদুপৰি মিয়াৱাকি পদ্ধতি ব্যৱহাৰ কৰি স্থানীয় গছৰ প্ৰজাতিৰ ঘন বনাঞ্চল গঢ়ি তোলা হ’ব। এই উদ্যানত বিভিন্ন ধৰণৰ ফলমূলৰ গছ আৰু মচলাজাতীয় উদ্ভিদ থাকিব। তদুপৰি নিম, তুলসীকে ধৰি বিভিন্ন স্থানীয় ঔষধী গছ ৰোপণ কৰা হ’ব। উদ্যানখনত সামাজিক সমাৰেশ, সভা আৰু বিনোদনমূলক কাৰ্যকলাপৰো ব্যৱস্থা থাকিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

আজি দিনৰ ভাগত মুখ্যমন্ত্ৰীগৰাকীয়ে ৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা লখিমপুৰ জিলা পৰিষদৰ নতুন কাৰ্যালয় ভৱন উদ্বোধন কৰে। তেওঁ জিলাখনত ৰাষ্ট্ৰীয় গকুল মিছনৰ অধীনত চাৰে চাৰি কোটি

টকা ব্যয়েৰে নিৰ্মিত বৃত্তিমূলক প্ৰশিক্ষণ প্ৰতিষ্ঠান, ইন্দোৰ ষ্টেডিয়াম, ব্যায়ামাগাৰ আৰু কেণ্টিনগৃহ তথা অতিথিশালাও উদ্বোধন কৰে। জিলাখনত মুখ্যমন্ত্ৰীয়ে সৰ্বমুঠ ১১০ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰে। এই কাৰ্যসূচীত মন্ত্ৰী ডাঃ ৰণোজ পেগু, জয়ন্ত মল্লবৰুৱা, সাংসদ প্ৰদান বৰুৱাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

গোৱালপাৰা জিলাৰ বালিজানৰ ৰাজহ চক্ৰ অন্তৰ্গত হাচিলাবিলত আজি প্ৰশাসনে দখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলায়। দীৰ্ঘদিনৰ পৰা হাচিলাবিলৰ ভূমিত ৬৬৭টা পৰিয়ালে অবৈধভাৱে বসবাস কৰি আহিছিল। উচ্ছেদ অভিযানৰ পূৰ্বে একাংশ পৰিয়ালে স্ব-ইচ্ছাই সেই স্থান ত্যাগ কৰে। প্ৰশাসনে আজি সেই স্থানত উপস্থিত হৈ অৱশিষ্ট পৰিয়ালৰ প্ৰায় ৬০ শতাংশ উচ্ছেদ কৰে। বাকী পৰিয়ালসমূহৰ ঘৰ দুৱাৰ কাইলৈ উচ্ছেদ কৰা হ'ব বুলি জিলা প্ৰশাসনৰ সূত্ৰই জানিবলৈ দিছে। উচ্ছেদস্থলীত আইন শৃংখলা যাতে অৱনতি নঘটে তাৰ বাবে বৃহৎ আৰক্ষী বাহিনী মোতায়েন কৰা হয়। জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰী আৰু জিলা আৰক্ষী অধীক্ষক নৱনীত মহন্তৰ উপস্থিতিত এই উচ্ছেদ চলোৱা হয়। অসম আৰক্ষীৰ আইন শৃংখলা শাখাৰ আই জি পি অখিলেশ কুমাৰ সিঙেও উচ্ছেদ অভিযানৰ বুজ লয়।

০০০০০

তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰৰ অধীনস্থ ১৪৭ নম্বৰ ৰীগত হোৱা গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে প্ৰচেষ্টা চলি থকাৰ লগতে কাষৰীয়া অঞ্চলসমূহৰ জনসাধাৰণ তথা পশুধনৰ সুৰক্ষাৰ বাবে ব্যৱস্থা লোৱা হৈছে। জিলা প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে ২৪ ঘণ্টাই দণ্ডাধীশ পৰ্যায়ত তদাৰক কৰি থকা হৈছে। তদুপৰি ঘটনাস্থলীৰ নিকটৱৰ্তী নাগৰিকসকলক বিশুদ্ধ খোৱাপানী আৰু আহাৰ যোগান ধৰি থকা হৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগে অঞ্চলটোত স্বাস্থ্য শিবিৰো মুকলি কৰিছে। জিলা অগ্নি নিৰ্বাপক বাহিনী, তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অগ্নি নিৰ্বাপক বাহিনী, অসামৰিক প্ৰতিৰক্ষা বিভাগ আৰু জৰুৰীকালীন সেৱা বিভাগৰ বিষয়া-কৰ্মচাৰীৰ সহযোগত গেছ নিৰ্গম ৰোধৰ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। তদুপৰি ঘটনা সংঘটিত হোৱা স্থানৰ পৰা ১ কিলোমিটাৰ নিলগলৈ বায়ুৰ গুণাগুণ পৰীক্ষাৰ বাবে স্থায়ী যন্ত্ৰ স্থাপন কৰা হৈছে। এই বায়ু নমুনাৰ তথ্য অনুযায়ী বায়ু প্ৰদূষণৰ মাত্ৰা এতিয়াও সহনীয় সীমাৰ ভিতৰত আছে। ইপিনে ৰীগটোৰ পৰা অবিৰতভাৱে হৈ থকা নিৰ্গমন সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰিব পৰা হোৱা নাই যদিও বিশেষজ্ঞৰ দ্বাৰা প্ৰচেষ্টা চলাই থকা হৈছে। উল্লেখযোগ্য যে যোৱা বৃহস্পতিবাৰে দুপৰীয়া তেল কূপটোত গেছৰ নিৰ্গমন আৰম্ভ হয়। প্ৰচণ্ড শব্দৰে নিৰ্গত হোৱা এই গেছৰ ফলত জনস্বাস্থ্যৰ প্ৰতি সৃষ্টি হোৱা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে সমীপৰ ৭০টা পৰিয়ালক সেই অঞ্চলৰ পৰা স্থানান্তৰ কৰে। শুকুৰবাৰে ৰিগটোৰ দায়িত্ব বিশেষ সংকট নিয়ন্ত্ৰণ দলক অৰ্পণ কৰা হৈছিল আৰু সম্প্ৰতি জাংক শ্বট অপাৰেচন নামৰ বিশেষ ব্যৱস্থাৰে গেছ নিৰ্গমন ৰোধৰ কাম কৰি থকা হৈছে।

ইপিনে, এই ঘটনাই আজি পঞ্চম দিনত ভৰি দিয়াৰ ফলত অসমীয়া যুৱ মঞ্চই প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত কৰে। সংগঠনটোৱে এছ কে পেট্ৰ'ল নামৰ ব্যক্তিগত প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে এজাহাৰ জাখিল কৰিছে। অঞ্চলটোৰ ৰাইজে ততালিকে এই সমস্যাৰ সমাধান কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনাইছে।

০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন জিলাত কাৰ্যসূচী অব্যাহত আছে। বাক্সা জিলাৰ শালবাৰী মহাবিদ্যালয় খেলপথাৰত অহা ২১ জুনত যোগ দিৱসৰ ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচী

অনুষ্ঠিত হ'ব। মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কালি এই কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ২০ জুনত জিলাখনত উপস্থিত হৈ নৈশ যাপন কৰাৰ লগতে পিছদিনা পুৱা যোগ দিৱসৰ কাৰ্যসূচীত অংশ ল'ব। এই অনুষ্ঠানত দুই শহস্ৰাধিক লোকে অংশগ্ৰহণ কৰিব।

চিৰাং জিলা প্ৰশাসনে আজি ৰাষ্ট্ৰীয় আয়ুষ অভিযান অসমৰ সহযোগত কাজল গাঁৱত নৱীকৃত যোগ উদ্যানখন মুকলি কৰা লগতে জিলা পৰ্যায়ৰ যোগাসন প্ৰতিযোগিতাৰ আয়োজন কৰে। যোগ উদ্যানখন চিৰাং জিলাৰ আয়ুক্ত যতীন বৰাই উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত সভাত আয়ুক্তগৰাকীয়ে সমাগত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি জিলা প্ৰশাসনে পেৰেড গ্ৰাউণ্ডত চাৰিটা শাখাত যোগ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ কথা প্ৰকাশ কৰে। অনুষ্ঠানত অংশ লৈ ৰাজ্যিক আয়ুষ মিছনৰ যুটীয়া সঞ্চালক ডাঃ শশী সোণোৱালে কাজল গাঁৱৰ লগতে কাৰ্বি আংলঙতো যোগ উদ্যান স্থাপন কৰি জনসাধাৰণক যোগাভ্যাসৰ প্ৰতি আকৰ্ষিত কৰাৰ পৰিকল্পনা লোৱা হৈছে বুলি উল্লেখ কৰে। যোগাসন প্ৰতিযোগিতাত ডেৰ শতাধিক স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি অহা ২০ জুনত জিলাখনৰ মিৰ্জাৰ ছহিদ ভৱনত জিলা পৰ্যায়ৰ যোগ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। পুৱা ৯ বজাত আৰম্ভ হ'বলগীয়া এই প্ৰতিযোগিতা চাৰিটা শাখাত অনুষ্ঠিত হ'ব। ১০ বছৰলৈ, ১০ৰ পৰা ১৮, ১৮ৰ পৰা ৩৫ আৰু ৩৫ বছৰৰ উৰ্ধৰ এই চাৰিটা শাখাত প্ৰতিযোগিসকলে অংশ ল'ব পাৰিব। ইচ্ছুক প্ৰতিযোগিয়ে অহা ১৯ জুনৰ ভিতৰত নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব। কামৰূপ জিলাৰ লোকেহে এই প্ৰতিযোগিতাত অংশ ল'ব পাৰিব। ৰাষ্ট্ৰীয় আয়ুষ অভিযান অসম, কামৰূপ জিলা প্ৰশাসন আৰু কামৰূপ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত অহা ২১ জুনত মিৰ্জাৰ ছহিদ ভৱনত আয়োজিত যোগ দিৱসৰ কাৰ্যসূচীত প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ বিতৰণ কৰা হ'ব।

যোৰহাট চন্দ্ৰ কমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয় প্ৰেক্ষাগৃহত হ'বলগীয়া একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি পুৱা যোৰহাট জিলা যোগকেন্দ্ৰ চৌহদত চাৰিটা শাখাত যোগ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

ooooo

ৰাজ্যৰ ১০ খন জিলাত অহা অক্টোবৰত আৰম্ভ হ'বলগীয়া ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ হিতাধিকাৰীসকলৰ এখন আঁচনি সন্দৰ্ভত আজি শিৱসাগৰত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে অৱগত কৰে। এই আঁচনিৰ অধীনত গ্ৰাহকসকলক এক কিলোগ্ৰামকৈ মচুৰ দাইল, চেনি আৰু নিমখ সুলভ মূল্যত প্ৰদান কৰা হ'ব। আজিৰ এই কাৰ্যসূচীত সুলভ মূল্যৰ দোকানী, গাঁও পঞ্চায়ত, সমবায় সমিতিসমূহৰ প্ৰতিনিধিসকলক এই আঁচনিৰ সকলো দিশ সামৰি দৃশ্য-শ্ৰাব্য মাধ্যমেৰে অৱগত কৰোৱা হয়। ৰাজ্যৰ ১০ খন জিলাত এই আঁচনি আৰম্ভ হোৱাৰ এমাহৰ পাছতেই অৰ্থাৎ নৱেম্বৰত এই আঁচনি কাৰ্যকৰী হ'ব। এই সন্দৰ্ভত মন্ত্ৰী কৌশিক ৰায়ে এইদৰে কয়—

**বাইট (কৌশিক ৰায়)**

মন্ত্ৰীগৰাকীয়ে আজি চৰাইদেউ জিলাৰ সোনাৰিতো সুলভ মূল্যৰ দোকানী আৰু গাঁও পঞ্চায়ত, সমবায় সমিতিৰ সৈতে এখন সজাগতামূলক সন্মিলনত অংশ লয়।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ ধ্বজাবাহী আঁচনি ধৰতি আবা জনজাতি উৎকৰ্ষ গ্ৰাম্য অভিযানৰ অধীনত বিভিন্ন জিলাত সজাগতা সভাকে ধৰি ভালেমান কাৰ্যসূচী অনুষ্ঠিত হৈছে। ৩০ জুনলৈ ৰাজ্যত চলিবলগীয়া এই কাৰ্যসূচী মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ৰ পৰা শুভাৰম্ভ কৰিছিল। আজি মৰিগাঁও জিলাত ৮ দিনীয়া কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ অধীনত জিলাখনৰ বিভিন্ন বিভাগে জনজাতি বসতিপ্ৰধান গাঁৱে গাঁৱে গৈ চৰকাৰী আঁচনিৰ সা-সুবিধা সম্পৰ্কে অৱগত কৰিব।

ধেমাজি জিলাতো ৬৫ খন গাঁও পঞ্চায়তৰ অন্তৰ্গত এহেজাৰ ২০০ৰো অধিক গাঁও সামৰি এই অভিযান আৰম্ভ হৈছে। ৩০ জুনলৈ চলিবলগীয়া অভিযান কালত সকলো জনজাতীয় লোকৰ শিক্ষা, স্বাস্থ্য, খাদ্য-সুৰক্ষা আদি নিশ্চিত কৰিব পৰাকৈ জিলাখনৰ ১৭টা বিভাগে প্ৰচেষ্টা চলাব।

বৰপেটা জিলাত আজি এই আঁচনিখন ৰূপায়ণৰ বাবে জিলা প্ৰশাসনে এখন সভা অনুষ্ঠিত কৰে। প্ৰশাসনে জনজাতি বসতিপ্ৰধান অঞ্চলসমূহত শিবিৰ মুকলি কৰি আধাৰ কাৰ্ড, ৰেচন কাৰ্য, আয়ুষ্মাণ কাৰ্ড, জাতিগত প্ৰমাণপত্ৰ প্ৰদানৰ উপৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ সুবিধা প্ৰদানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। এই আঁচনিৰ সুবিধা লাভৰ পৰা যাতে কোনো জনজাতিয় লোক বাদ পৰি নাযায় এই কথা নিশ্চিত কৰিবলৈ প্ৰশাসনে নিৰ্দেশ দিয়ে।

ooooo

অম্বুবাচী মহাযোগ সুকলমে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে  কামৰূপ মহানগৰ জিলা আয়ুক্ত, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই আজি কামাখ্যা মন্দিৰৰ চৌহদত এখন যৌথ সংবাদমেল সম্বোধন কৰে। সংবাদমেলত আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তই অম্বুবাচী মহাযোগৰ সময়ছোৱাত কোনোধৰণৰ হুলস্থূল বা সমদল আদি কৰিবলৈ দিয়া নহ'ব বুলি প্ৰকাশ কৰে। মা কামাখ্যাৰ আৰাধনা তথা পৰম্পৰাত যাতে কোনো বাধাৰ সৃষ্টি নহয় তাৰ বাবে আৰক্ষী প্ৰশাসন সক্ষম হৈ থাকিব বুলি তেওঁ জানিবলৈ দিয়ে। নীলাচল পাহাৰৰ ভূমিস্খলনৰ প্ৰতি লক্ষ্য ৰাখি এই সময়ছোৱাত ভিৰ নিয়ন্ত্ৰণ কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মহাযোগৰ সময়ছোৱাত সকলো ভক্তই পুৱা ৫ বজাৰ পৰা সন্ধিয়া ৬ বজালৈহে নীলাচল পাহাৰলৈ যাব পাৰিব। সন্ধিয়া ৬ বজাৰ পাছত ভক্তসকলে মন্দিৰলৈ যাব নোৱাৰিব। আনহাতে পাণ্ডুৰ দিশৰ পৰা কামাখ্যা মন্দিৰলৈ যোৱা পথছোৱা সম্পূৰ্ণৰূপে বন্ধ থাকিব। বিশেষ জৰুৰীকালীন অৱস্থাতহে এই পথছোৱা ব্যৱহাৰ কৰা হ'ব বুলি আৰক্ষী আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। সংবাদমেলত আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তই এইদৰে কয়—-

**বাইট (পাৰ্থ সাৰথি মহন্ত)**

উল্লেখযোগ্য যে অহা ২২ জুনৰ দুপৰীয়া ২ বাজি ৫৬ মিনিটত প্ৰবৃত্তিৰ লগে লগে তিনিদিনৰ বাবে মন্দিৰৰ দ্বাৰ বন্ধ কৰি দিয়া হ'ব। অহা ২৬ জুনৰ নিবৃত্তিৰ পাছতহে ভক্তৰ বাবে মন্দিৰৰ দ্বাৰ মুকলি কৰি দিয়া হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ ১১ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজি ডিব্ৰুগড়ত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত মন্ত্ৰী প্ৰশান্ত ফুকনে অংশ লৈ চৰকাৰখনে জনসাধাৰণৰ সৰ্বাংগীণ বিকাশৰ বাবে গ্ৰহণ কৰা পদক্ষেপ আৰু আঁচনিসমূহৰ বিষয়ে ৰাইজক অৱগত কৰে। বৈঠকত মন্ত্ৰী বিমল বৰাইও ভাষণ প্ৰসংগত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনিৰ বিষয়ে উল্লেখ কৰে।

একেদৰে কাৰ্বি আংলং জিলা বিজেপিৰ কাৰ্যালয়তো কেন্দ্ৰীয় চৰকাৰৰ ১১ বছৰীয়া কাৰ্যকাল সম্পূৰ্ণ হোৱা উপলক্ষে অনুষ্ঠানৰ আয়োজন কৰা হয়। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এই কাৰ্যসূচীত উপস্থিত থাকে। তেওঁ কয়, যে ২০২১ চনত  কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত দুখন জিলাৰ ৬টাকৈ উগ্ৰপন্থী সংগঠনক শান্তি চুক্তিৰ জৰিয়তে মূল সুঁতিলৈ ঘূৰাই অনাৰ লগতে জিলাখনত শান্তি স্থাপন হৈছে। অনাগত সময়ত প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত জিলাখনত অধিক উন্নয়ন হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

ooooo

অসম বক্সিং সন্থাই হাৰিয়ানাৰ ৰ'হটকত অহা ১৮ জুনৰ পৰা হ'বলগীয়া ষষ্ঠ ১৭ বছৰ অনূৰ্ধবৰ ৰাষ্ট্ৰীয় জুনিয়ৰ বক্সিং প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগা অসমৰ ল'ৰা আৰু ছোৱালীৰ দল দুটা ঘোষণা কৰিছে।  এই প্ৰতিযোগিতাত অসমে ছোৱালীৰ দহটা আৰু ল'ৰাৰ বাৰটা শাখাত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। উল্লেখযোগ্য যে গুৱাহাটীত সদ্য সমাপ্ত জুনিয়ৰ ৰাজ্যিক বক্সিঙৰ প্ৰদৰ্শন ভিত্তিত প্ৰতিটো শাখাত এগৰাকীকৈ খেলুৱৈ এই প্ৰতিযোগিতাৰ বাবে নিৰ্বাচন কৰা হৈছে। এই প্ৰতিযোগিতাখনৰ অহা ২৫ জুনত সামৰণি পৰিব।

ooooo

সমাপ্ত